**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬০০/২০১৯**

**টাই আহোম সমন্বয়ৰক্ষী সমিতিৰ সৈতে মুখ্যমন্ত্ৰীৰ আলোচনা**

## টাই আহোম সম্প্ৰদায়ৰ সৰ্বাংগীন উন্নয়নৰ বাবে চৰকাৰ দায়বদ্ধ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৩ ডিচেম্বৰ ঃ** টাই আহোম সমন্বয়ৰক্ষী সমিতিৰ এটা প্ৰতিনিধি দলে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক ব্ৰহ্মপুত্ৰ ৰাজ্যিক অতিথিশালাত সাক্ষাৎ কৰি তেওঁলোকৰ সম্প্ৰদায়ৰ বিভিন্ন বিষয় সামৰি আলোচনাত মিলিত হয়। প্ৰতিনিধি দলটোৱে মুখ্যমন্ত্ৰী সোণোৱালক এখন স্মাৰক পত্ৰও প্ৰদান কৰে। স্মাৰক পত্ৰত তেওঁলোকে জনগোষ্ঠীটোক জনজাতিৰ মৰ্যাদা প্ৰদানৰ দিশত দ্ৰুত পদক্ষেপ গ্ৰহণ কৰা তথা এই সম্প্ৰদায়ৰ বাবে এখন উপগ্ৰহীয় স্বায়ত্ত শাসিত পৰিষদ গঠনৰ পদক্ষেপ ল'বলৈও দাবী জনায়।

প্ৰতিনিধি দলটোৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে ৰাজ্যখনৰ খিলঞ্জীয়া জনসাধাৰণৰ সকলো অধিকাৰ আৰু স্বাৰ্থ সুৰক্ষিতকৰণৰ বাবে বৰ্তমানৰ ৰাজ্য চৰকাৰ সম্পূৰ্ণৰূপে দায়বদ্ধ। টাই আহোম সম্প্ৰদায়ৰ সৰ্বাংগীন উন্নয়ন বাস্তৱায়িত কৰাৰ বাবে চৰকাৰে ইতিমধ্যে বহু সংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে ৰাজ্যখনৰ ছয়টা জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদানৰ বাবে কেন্দ্ৰীয় চৰকাৰে তেওঁলোকৰ দায়বদ্ধতাৰ কথা ইতিমধ্যে প্ৰকাশ কৰিছে আৰু পূৰ্বৰ কাৰ্যকালতে এই সম্বন্ধীয় এখন বিধেয়ক ৰাজ্য সভাত উত্থাপন কৰিছে। তদুপৰি, এই বিষয় সমূহ পুংখানুপুংখভাৱে চালি-জাৰি চোৱাৰ বাবে ৰাজ্য চৰকাৰে গঠন কৰি দিয়া মন্ত্ৰীগোটে ইয়াৰ প্ৰতিবেদন অতিশীঘ্ৰে দাখিল কৰিব বুলি তেওঁ কয়। উপগ্ৰহীয় স্বায়ত্ত শাসিত পৰিষদ গঠনৰ দিশত বিতং আলোচনাৰ প্ৰয়োজন আছে আৰু ৰাজ্য চৰকাৰে এই দিশটো বিবেচনা কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী সোণোৱালে লগতে কয় যে টাই আহোম উন্নয়ন পৰিষদক শক্তিশালীকৰণৰ বাবে বিগত কেবিনেটত ৰাজ্য চৰকাৰে পূৰ্বতকৈ আৰু অধিক পুঁজি আৱন্টনৰ দিশত সিদ্ধান্তগ্ৰহণ কৰিছে যাতে এই সম্প্ৰদায়ৰ জনসাধাৰণৰ আশা-প্ৰত্যাশা সমূহ বাস্তৱায়িত কৰাৰ বাবে অধিক পদক্ষেপ ল'ব পৰা যায়।

আজিৰ এই আলোচনাকালত সাংসদ তপন কুমাৰ গগৈ, বিধায়ক চক্ৰধৰ গগৈ, ৰাজ্যিক পৰ্যায়ৰ ছাত্ৰ আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য-সচিব লক্ষ্য কোঁৱৰ উপস্থিত আছিল।

**বীঃগঃ / বঃভাঃ /পুঃডেঃ**
**২৩/১২/২০১৯**